# Prime Minister participates in virtual summit of Quad leaders

March 03, 2022

## কোৱাড নেতৃবৰ্গৰ ভাৰ্চুৱেল সন্মিলনত অংশগ্ৰহণ প্ৰধানমন্ত্ৰীৰ

প্ৰধানমন্ত্ৰীয়ে আজি মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেন, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিছন আৰু জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিশিদাৰ সৈতে কোৱাড নেতৃবৰ্গৰ এখন ভাৰ্চুৱেল সন্মিলনত অংশগ্ৰহণ কৰে।

বৈঠকত ২০২১ চনৰ কোৱাড সন্মিলনৰ পৰা গ্ৰহণ কৰা কোৱাড প্ৰচেষ্টাৱলীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। নেতৃবৰ্গই চলিত বৰ্ষৰ শেষভাগত জাপানত অনুষ্ঠিত হ'বলগীয়া সন্মিলনত এক সুস্পষ্ট ফলাফল লাভৰ উদ্দেশ্যে সহযোগিতা বৃদ্ধিত সহমত পোষণ কৰে।

প্ৰধানমন্ত্ৰীয়ে কোৱাডে ইয়াৰ মুল উদ্দেশ্য অৰ্থাৎ ভাৰত-প্ৰশান্ত মহাসাগৰীয় এলেকাত শান্তি, সুস্থিৰতা আৰু সমৃদ্ধি বৰ্তাই ৰখাত গুৰুত্ব দিব লাগিব বুলি সজোৰে কয়। তেওঁ কোৱাডৰ ভিতৰত মানৱতাবাদ আৰু দুৰ্যোগজনিত সাহাৰ্য, ঋণৰ বহনযোগ্যতা, যোগান শৃংখল, স্বচ্ছ শক্তি, যোগাযোগ আৰু সক্ষমতা নিৰ্মাণ ইত্যাদি বিষয়ত এক সু-স্পষ্ট আৰু বাস্তৱসন্মত সহযোগিতাৰ আহ্বান জনায়।

বৈঠকত ইউক্ৰেইনৰ সংকট আৰু মানৱতাবাদত ইয়াৰ প্ৰভাৱ সন্দৰ্ভতো আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰীয়ে এই ক্ষেত্ৰত কূটনৈতিক আলোচনাৰ ওপৰত অধিক জোৰ দিয়ে।

কোৱাড নেতৃবৰ্গই লগতে দক্ষিণ এছিয়াৰ পৰিস্থিতি, ভাৰত মহাসাগৰ এলেকা আৰু প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জকে ধৰি কেতবোৰ প্ৰাসংগিক সমস্যাৰ সন্দৰ্ভতো আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰসংঘৰ চনদ, আন্তঃৰাষ্ট্ৰীয় আইন মানি চলা আৰু সাৰ্বভৌমত্ব আৰু ভোগোলিক অখণ্ডতাৰ প্ৰতি সন্মান জনোৱাৰ গুৰুত্ব সম্পৰ্কে পুনৰ দোঁহাৰে।

নেতৃবৰ্গই জাপানত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্তী সন্মিলনৰ অভিলাষী বিষয়সমূহৰ ক্ষেত্ৰত সঘনাই সম্পৰ্ক ৰক্ষাৰ লগতে একেলগে কাম কৰি যোৱাৰ সহমত পোষণ কৰে।

**নতুন দিল্লী**
**মাৰ্চ 03, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.